# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-11-2024 **Time :** 0755 Hrs.

## Assamese Morning Bulletin

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ব্ৰাজিলৰ ৰিঅ' ডি জেনেৰিঅ'ত জি-২০ শীৰ্ষ সন্মিলনত ভাগ ল'ব। এই সন্মিলনৰ সুযোগতে প্ৰধানমন্ত্ৰীয়ে বিশ্বনেতাসকলৰ সৈতে পৃথক বৈঠকত ভাগ ল'ব। শ্ৰীমোদী, আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেন আৰু চীনৰ ৰাষ্ট্ৰপতি জি জিনপিং হৈছে জি-২০ সন্মিলনত আজি আৰু কাইলৈ অংশগ্ৰহণ কৰিবলগীয়া নেতাসকলৰ মাজৰ অন্যতম। প্ৰধানমন্ত্ৰী মোদী ত্ৰিদেশীয় ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত আজি পুৱা ব্ৰাজিলত উপস্থিত হৈছে।

ভাৰত, ব্ৰাজিল আৰু দক্ষিণ আফ্ৰিকা জি-২০ ট্ৰোইকাৰ অংশ আৰু দেশ তিনিখনে জি-২০ শীৰ্ষ সন্মিলনৰ আলোচনাত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি আহিছে। সন্মিলনত প্ৰধানমন্ত্ৰী মোদীয়ে বিভিন্ন গোলকীয় বিষয়ত ভাৰতৰ স্থিতিৰ বিষয়ে অৱগত কৰিব আৰু জি-২০ নতুন দিল্লী ঘোষণাপত্ৰ অনুসৰি লোৱা পদক্ষেপৰ লগতে ভাৰতে যোৱা কেইটামান বছৰত আয়োজন কৰা **ভইচ অব দ্যা গ্লোবেল ছাউথ** সন্মিলনৰ লাভালাভ সম্পৰ্কে আলোচনা কৰিব। এই সন্মিলন অতি গুৰুত্বপূৰ্ণ কাৰণ ভাৰতে যোৱা বছৰ অগ্ৰাধিকাৰ দিয়া বিষয়সমূহ ইয়াত আগবঢ়াই লৈ যোৱা হ'ব। বিগত বৰ্ষৰ ছেপ্তেম্বৰত নতুন দিল্লীত ভাৰতে জি-২০ সন্মিলন সফলভাৱে আয়োজন কৰে। ইয়াৰ পূৰ্বে কালি প্ৰধানমন্ত্ৰীয়ে আবুজাত নাইজেৰিয়াৰ ৰাষ্ট্ৰপতি বোলা আহমেদ টিনুবুৰ সৈতে উভয় দেশৰ মাজৰ কৌশলগত সহযোগিতাৰ পৰ্যালোচনা চলোৱাৰ লগতে দ্বিপাক্ষিক সহযোগিতা সুদৃঢ় কৰাৰ উপায় সম্পৰ্কে আলোচনা কৰে।

*(বাইট)*

এই আলোচনাৰ অন্তত সাংস্কৃতিক বিনিময় কাৰ্যসূচী, শুল্ক সহযোগিতা আৰু জৰীপ সহযোগিতাৰ ক্ষেত্ৰত তিনিখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰা হয়।

oooooooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি নতুন দিল্লীত অনুষ্ঠিত এখন বৈঠকত জ্যেষ্ঠ বিষয়াসকলৰ সৈতে মণিপুৰৰ সাম্প্ৰতিক পৰিস্থিতি পৰ্যালোচনা কৰে। মন্ত্ৰীগৰাকীয়ে একেটা বিষয় লৈ আজি আন এখন বিশেষ বৈঠকত অংশগ্ৰহণ কৰাৰ কথা। গৃহমন্ত্ৰীগৰাকীয়ে কালিৰ বৈঠকত কয় যে মণিপুৰলৈ শান্তি-শৃংখলা ওভতাই অনাৰ উদ্দেশ্যে নিৰাপত্তা বাহিনীসমূহক যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। উল্লেখযোগ্য যে বিগত কিছুদিন ধৰি ৰাজ্যখনত শান্তি আৰু নিৰাপত্তা বিঘ্নিত হৈছে। গৃহ মন্ত্ৰালয়ে এটা বিবৃতিৰ জৰিয়তে প্ৰকাশ কৰিছে যে ৰাজ্যখনত সংঘৰ্ষৰ সৈতে জড়িত হৈ থকা দুয়োটা সম্প্ৰদায়ৰ সশস্ত্ৰ দুৰ্বৃত্তই হিংসাত লিপ্ত হৈ ৰাজ্যখনৰ শান্তি-শৃংখলা ভংগ কৰাৰ লগতে বহু নিৰিহ লোকক হত্যা কৰিছে। হিংসাত্মক কাৰ্যকলাপত জড়িত হৈ থকাসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি বিবৃতিটোত প্ৰকাশ কৰা হয়। গুৰুত্বপূৰ্ণ অভিযোগ সমূহ অনুসন্ধানৰ বাবে নিয়ালৈ হস্তান্তৰ কৰা হৈছে। তদুপৰি, ৰাজ্যখনৰ জনসাধাৰণলৈ শান্তি বৰ্তাই ৰখাৰ লগতে উৰা-বাতৰিক বিশ্বাস নকৰিবলৈ তথা শান্তি-শৃংখলা বজাই ৰখাত নিৰাপত্তা বাহিনীৰ প্ৰতি সহযোগিতা কৰিবলৈ আহ্বান জনোৱা হৈছে।

oooooooooo

এন বীৰেন সিঙৰ নেতৃত্বৰ মণিপুৰ চৰকাৰৰ প্ৰতি নেছনেল পিপলছ্ পাৰ্টিয়ে সমৰ্থন প্ৰত্যাহ্বাৰ কৰিছে। এন পি পিৰ ৰাষ্ট্ৰীয় সভাপতি কনৰাড কে চাংমাই বিজেপিৰ সভাপতি জে পি নাড্ডাক এন পি পিৰ এই সিদ্ধান্তৰ বিষয়ে অৱগত কৰে। একাদশ মণিপুৰ বিধানসভাত থকা ৭ গৰাকী এন পি পি বিধায়কে মণিপুৰৰ বিজেপিৰ নেতৃত্ব চৰকাৰক সমৰ্থন দিছিল। সদ্যহতে এন বীৰেন সিঙৰ চৰকাৰৰ প্ৰতি এন পি এফ, জে ডি ইউ আৰু কেইবাগৰাকীয়ো নিৰ্দলীয় বিধায়কৰ সমৰ্থন আছে। কনৰাড কে চাংমাই লিখা পত্ৰখনত মণিপুৰৰ সাম্প্ৰতিক আইন শৃংখলাৰ পৰিস্থিতিকলৈ এন পি পি উদ্বিগ্ন বুলি উল্লেখ কৰা হৈছে। ৰাজ্যখনলৈ স্বাভাৱিক পৰিস্থিতি ওভতাই অনাৰ লগতে সমস্যা সমাধানৰ ক্ষেত্ৰত এন বীৰেন সিঙৰ নেতৃত্বৰ মণিপুৰ চৰকাৰ সম্পূৰ্ণৰূপে বিফল হোৱা বুলি দলে অনুভৱ কৰাৰ বিষয়ে উল্লেখ কৰি শীঘ্ৰে বলবৎ হোৱাকৈ ৰাজ্য চৰকাৰৰ প্ৰতি থকা সমৰ্থন এন পি পিয়ে প্ৰত্যাহ্বাৰ কৰে।

00000

কাছাৰ জিলাৰ বৰাক নদীত কালি উদ্ধাৰ হোৱা মহিলাৰ মৃতদেহটো সোমবাৰে মণিপুৰত কুকি উগ্ৰপন্থীয়ে অপহৰণ কৰা ৬গৰাকী লোকৰ ভিতৰৰ এগৰাকীৰ বুলি সন্দেহ কৰা হৈছে। ইম্ফলৰ আৰক্ষী সূত্ৰই এই কথা প্ৰকাশ কৰিছে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে জিৰিবামৰ ব'ৰ'বেকৰা মহকুমাত শুকুৰবাৰে আন ৩গৰাকী লোকৰ মৃতদেহ উদ্ধাৰ হোৱাৰ পাছত মণিপুৰৰ বিভিন্ন প্ৰান্তত ব্যাপক প্ৰতিবাদ অব্যাহত আছে। ইপিনে, ৰাজ্যখনৰ গৃহ বিভাগে সামাজিক মাধ্যমৰ জৰিয়তে বিয়পা দেশ তথা সমাজ বিৰোধী বিভিন্ন উৰা-বাতৰি নিয়ন্ত্ৰণ কৰাৰ উদ্দেশ্য কালি বিয়লি জিৰিবাম আৰু ফেৰজল জিলাত দুদিনৰ বাবে ইণ্টাৰনেট সেৱা কৰ্তন কৰিছে। আনহাতে, কালিৰ পৰা পাঁচখন উপত্যকা জিলাকে ধৰি ৭খন জিলাত ইণ্টাৰনেট সেৱা দুদিনৰ বাবে কৰ্তন কৰা হৈছে।

00000

————ডিব্ৰুগড় জিলাৰ দিনজানৰ ডিব্ৰু নৈত কালি নাও দুৰ্ঘটনা সংঘটিত হয়। এই দুৰ্ঘটনাত মনোজ পাহাৰীয়া নামৰ এজন যাত্ৰী সন্ধানহীন হৈছে। জানিব পৰা মতে দিনজানৰ সাপ্তাহিক বজাৰত বজাৰ-সমাৰ সামৰি বিভিন্ন লোক ঘৰলৈ ওভোতাৰ সময়ত নাওখনে ডিব্ৰু নৈৰ মাজত থকা স্পাৰত খুন্দা মৰাৰ ফলত দুৰ্ঘটনাটো সংঘটিত হয়। নিৰুদিষ্ট যাত্ৰীজনক বিচাৰি এছ ডি আৰ এফে উদ্ধাৰ অভিযান আৰম্ভ কৰিছে।

0000000

মাইক্ৰ' প্লাষ্টিকে মানুহৰ মগজু চেৰিব্ৰেল ক'ডৰ বিকাশত বাধা দিয়াৰ লগতে শুক্ৰানু-ডিম্বানু গঠনো অনিয়মীয়া কৰে আৰু টেষ্টিছ্ কোষতো প্ৰভাৱ পেলায়। যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ গৱেষক বিজ্ঞানী ড° পৃথু বৰুৱাই যোৰহাট বিজ্ঞান চ'ৰাৰ ৩৪ সংখ্যক বৈঠকত কালি এইদৰে কয়। বহুচৰ্চিত মাইক্ৰ' প্লাষ্টিকৰ প্ৰদূষণ বিষয়ত আলোচনা আগবঢ়াই ৫ মিলিমিটাৰৰ তলৰ প্লাষ্টিকৰ টুকুৰা অৰ্থাৎ মাইক্ৰ' প্লাষ্টিক বতাহৰ লগত মিহলি হৈ হাওঁফাওঁত প্ৰৱেশ কৰি মানৱ শৰীৰত বিভিন্ন বিসংগতিৰ সৃষ্টি কৰে বুলি তেওঁ মত প্ৰকাশ কৰে।

0000000

শিৱসাগৰ জিলাৰ দিচাংমুখৰ বলমা মিচিং গাঁৱত মিচিং জনগোষ্ঠীৰ পৰম্পৰাগত পঃৰাগ উৎসৱ উৎসৱ উদযাপনৰ কালি লাইখুঁটা স্থাপন কৰা হয়। উৎসৱ উদযাপন সমিতিৰ সম্পাদক কাতিৰাম মিলিয়ে আঁত ধৰা অনুষ্ঠানত উদযাপন সমিতিৰ সভাপতি ৰামচন্দ্ৰ মিলিয়ে লাইখুঁটা স্থাপন কৰে। অনুষ্ঠানত অঞ্চলটোৰ সমূহ ৰাইজ উপস্থিত থাকে। অহা ১৭, ১৮ আৰু ১৯ জানুৱাৰীত পঃৰাগ উৎসৱ উদযাপনৰ তাৰিখ থিৰাং কৰা হৈছে। 0000000

**সমাপ্ত**